**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 17-09-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

ooooo

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সমগ্ৰ দেশতে স্বাস্থ্যৱতী নাৰী, শক্তিশালী পৰিয়াল অভিযানৰ শুভাৰম্ভ কৰে।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত সেৱা পযেকৰ অধীনত ১৬ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে ভালেমান উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

৩। ভাৰতীয় বৈদেশিক সেৱাৰ জ্যেষ্ঠ বিষয়া গৌৰাংগ লাল দাসক দক্ষিণ কোৰিয়াৰ নতুন ভাৰতীয় ৰাষ্ট্ৰদূত হিচাপে নিযুক্তি দিয়া হৈছে।

৪। নিৰ্বাচন আয়োগে ই ভি এম বেলট পেপাৰৰ স্পষ্টতাৰ বাবে ইয়াৰ আৰ্হি আৰু ছপাৰ ক্ষেত্ৰত থকা পূৰ্বৰ নিয়মাৱলীৰ সংশোধন কৰিছে।

*আৰু*

৫। ভাৰতৰ তাৰকা জেভলিন খেলুৱৈ নীৰজ চোপ্ৰাই বিশ্ব এথলেটিকছ্ চেম্পিয়নশ্বিপৰ পুৰুষৰ ফাইনেলৰ বাবে যোগ্যতা অৰ্জন কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সমগ্ৰ দেশতে স্বাস্থ্যৱতী নাৰী, শক্তিশালী পৰিয়াল অভিযানৰ শুভাৰম্ভ কৰে। তেওঁ লগতে মধ্য প্ৰদেশৰ ধাৰ জিলাৰ পৰা অষ্টম ৰাষ্ট্ৰীয় পোষণ মাহ কাৰ্য্যসূচীৰো শুভাৰম্ভ কৰে। শ্ৰীমোদীয়ে জিলাখনৰ ভেনচোলা গাঁৱত দেশৰ সৰ্ববৃহৎ পি এম মিত্ৰ উদ্যানৰ আধাৰশিলা স্থাপন কৰে। তেওঁ লগতে মাতৃ বন্দনা যোজনাৰ অধীনত ১৫ লাখৰো অধিক মহিলাক বিত্তীয় সাহায্য হস্তান্তৰ কাৰ্য্যসূচী মুকলি কৰে। শ্ৰীমোদীয়ে ৰাজ্যখনৰ জনজাতীয় এলেকাসমূহৰ বাবে আদি সেৱা পৰ্ব শীৰ্ষক এটা কাৰ্য্যসূচী উদ্বোধন কৰে। তেওঁ মহিলাসকলকস্বাস্থ্যৱতী নাৰী, শক্তিশালী পৰিয়াল অভিযানৰ অধীনত আয়োজন কৰা স্বাস্থ্য শিৰিৰসমূহত তেওঁলোকৰ স্বাস্থ্য পৰীক্ষা কৰাবলৈ আহ্বান জনায়। ধাৰ জিলাত নিৰ্মাণ হ'বলগীয়া পি এম মিত্ৰ উদ্যানৰ বাবে জনসাধাৰণক শুভেচ্ছা জনাই প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে এই উদ্যানে কৃষক আৰু যুৱ চামৰ নিয়োগৰ ক্ষেত্ৰত সোণালী সুযোগ প্ৰদান কৰিব। তেওঁ জনসাধাৰণক উৎসৱৰ বতৰত থলুৱাভাৱে নিৰ্মিত সামগ্ৰী ক্ৰয় কৰিবলৈ আৰু বিক্ৰেতাসকলক তেওঁলোকে বিক্ৰী কৰা সকলোবোৰ সামগ্ৰী যাতে দেশত নিৰ্মিত হয়, সেয়া নিশ্চিত কৰিবলৈ আহ্বান জনায়।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত সেৱা পযেকৰ অধীনত ১৬ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে ভালেমান উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। ত্যাগৰাজ ষ্টেডিয়ামত এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি শ্ৰীশ্বাহে কয়, যে এই প্ৰকল্পসমূহে ৰাষ্ট্ৰীয় ৰাজধানীৰ জনসাধাৰণক উপকৃত কৰিব।

তেওঁ কয়, যে শ্ৰীমোদীয়ে তেওঁৰ সমগ্ৰ জীৱন দেশবাসীৰ কল্যাণৰ হকে সমৰ্পণ কৰিছে। বিগত ১১ বছৰত শ্ৰীমোদীৰ নেতৃত্বত দেশ সুৰক্ষিত হৈছে বুলি উল্লেখ কৰি শ্ৰীশ্বাহে কয়, যে এই সময়ছোৱাত দেশৰ অৰ্থনীতি শক্তিশালী হৈছে আৰু দৰিদ্ৰ লোকসকলেও সকলো সুবিধা লাভ কৰিছে। মোদী চৰকাৰে দেশৰ ৬০ কোটি জনসাধাৰণক সুবিধা প্ৰদান কৰিছে আৰু ২৫ কোটি লোকক দৰিদ্ৰতাৰ পৰা মুক্ত কৰিছে বুলি গৃহ মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে দেশে সদায় শ্ৰীমোদীৰ ঐতিহাসিক সফলতাসমূহ মনত ৰাখিব। কেন্দ্ৰীয় গৃহ মন্ত্ৰীগৰাকীয়ে আজি উদ্বোধন কৰা ১৫ খন গুৰুত্বপূৰ্ণ আঁচনিৰ ভিতৰত মহাবিদ্যালয় পৰ্যায়ৰ দৃষ্টিহীন কন্যা শিক্ষাৰ্থীসকলৰ বাবে অটল দৃষ্টি ছাত্ৰীবাস, বৌদ্ধিকভাৱে দিব্যাংগ ব্যক্তিসকলৰ বাবে অটল আশাগৃহ আৰু জ্যেষ্ঠ নাগৰিকসকলৰ বাবে সাবিত্ৰীবাঈ ফুলে গৃহ আঁচনি, চিকিৎসালয়, ১০১ টা আয়ুষ্মান আৰোগ্য মন্দিৰ, ১৫০ টা ডায়েলিছিছ কেন্দ্ৰ আৰু আৰক্ষীৰ বাবে ৭৫ খন ড্ৰ'ণ আছে। আজিৰ অনুষ্ঠানতে গৃহ মন্ত্ৰীগৰাকীয়ে দুটা আৱৰ্জনাৰ পৰা শক্তি প্ৰকল্পৰ আধাৰশিলাও স্থাপন কৰে।

উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৭৫ সংখ্যক জন্মদিনৰ সৈতে সংগতি ৰাখি ভাৰতীয় জনতা পাৰ্টীয়ে আজিৰে পৰা সমগ্ৰ দেশত সেৱা পযেকৰ আয়োজন কৰিছে। মহাত্মা গান্ধী আৰু লাল বাহাদুৰ শাস্ত্ৰীৰ জন্মবাৰ্ষিকীৰ দিনা ২ অক্টোবৰত এই সেৱা পযেকৰ সামৰণি পৰিব।

সেৱা পযেকৰ সময়ত সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকক সক্ৰিয়ভাৱে অন্তৰ্ভুক্ত কৰাৰ উদ্দেশ্যে বিভিন্ন বিষয়বস্তুৰে ভিন ভিন কাৰ্যসূচীৰ পৰিকল্পনা কৰিছে। ইয়াৰ জৰিয়তে চৰকাৰৰ কল্যাণমূলক আঁচনিসমূহক দুখীয়া জনসাধাৰণৰ কাষ চপাই নিয়া, পৰিষ্কাৰ পৰিচ্ছন্নতাৰ প্ৰসাৰ, পানী যোগান সুনিশ্চিত কৰা আৰু পৰিৱেশ সংৰক্ষণ বিষয়ক অভিযানসমূহ আগুৱাই নিয়াত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে।

ooooo

কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি নতুন দিল্লীত সেৱা পৰ্ব উপলক্ষে আয়োজিত এটা অনুষ্ঠানত ডী ডী নেচনেল আৰু ডী ডী নিউজৰ বাবে এলানি বিশেষ কাৰ্য্যসূচী মুকলি কৰে। ইয়াৰ ভিতৰত **সংকল্প কী শক্তি, সুশাসন কা সামৰ্থ্য, বিশ্ব মঞ্চ পৰ নেতৃত্ব কা শংখনাদ আৰু কৰ্ময়োগীঃ এক অন্তহীন য়াত্ৰা** শীৰ্ষক ৩ খন তথ্যচিত্ৰ আছে। তদুপৰি, **মেৰা গাঁও আজ** শীৰ্ষক এটা বিশেষ অনুষ্ঠানো মুকলি কৰা হয়। এই বিগত ১১ বছৰত দেশৰ গাঁওসমূহৰ ৰূপান্তৰৰ কাহিনী দেখুওৱা হ'ব। অনুষ্ঠানত শ্ৰীবৈষ্ণৱে কয়, যে ভাৰতে বিশ্বত এটা নতুন পৰিচয় গঢ়ি তুলিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰম্ভণিৰে পৰাই ৰাষ্ট্ৰ নিৰ্মাণৰ কামত ব্ৰতী হৈ আহিছে বুলি উল্লেখ কৰি শ্ৰীবৈষ্ণৱে কয়, যে প্ৰধানমন্ত্ৰীয়ে ৰাজনীতিক দেশৰ নাগৰিকৰ প্ৰতি সেৱা আগবঢ়োৱাৰ মাধ্যমলৈ ৰূপান্তৰ কৰিলে। অনুষ্ঠানত অংশ লৈ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ সচিব সঞ্জয় জাজুৱে আজিৰ অনুষ্ঠানক বিশেষ বুলি উল্লেখ কৰি কয়, যে সমগ্ৰ দেশৰে পৰিৱৰ্তন, ৰূপান্তৰ আৰু ৰাষ্ট্ৰ নিৰ্মাণৰ কাহিনীৰ বিষয়ে জানিব পৰা গৈছে।

ooooo

ভাৰতীয় বৈদেশিক সেৱাৰ জ্যেষ্ঠ বিষয়া গৌৰাংগ লাল দাসক দক্ষিণ কোৰিয়াৰ নতুন ভাৰতীয় ৰাষ্ট্ৰদূত হিচাপে নিযুক্তি দিয়া হৈছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে জাৰি কৰা এখন বিজ্ঞপ্তি অনুসৰি শ্ৰীদাসে শীঘ্ৰে ছিউলত ভাৰতীয় ৰাষ্ট্ৰদূত ৰূপে কাৰ্যভাৰ গ্ৰহণ কৰিব।

১৯৯৯ চনৰ ভাৰতীয় বৈদেশিক সেৱাৰ বিষয়া অসম সন্তান গৌৰাংগ লাল দাসে ইয়াৰ আগতে কেইবাখনো বিদেশী ৰাষ্ট্ৰত কূটনীতিবিদ হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। চীনা আৰু কম্বোডিয়ান ভাষাকে ধৰি কেইবাটাও বিদেশী ভাষাত ব্যুৎপত্তি থকা গৌৰাংগ লাল দাসে যোৱা মাহত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু চীনৰ ৰাষ্ট্ৰপতি শ্বি ঝিন পিনৰ মাজৰ শীৰ্ষ বৈঠকত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল।

ooooo

নিৰ্বাচন আয়োগে ই ভি এম বেলট পেপাৰৰ স্পষ্টতা আৰু পঢ়াৰ সুবিধা বৃদ্ধি কৰাৰ বাবে ইয়াৰ আৰ্হি আৰু ছপাৰ ক্ষেত্ৰত থকা পূৰ্বৰ নিয়মাৱলীৰ সংশোধন কৰিছে। নিৰ্বাচনী প্ৰক্ৰিয়া সুচাৰুৰূপে সম্পন্ন কৰা আৰু ভোটদাতাৰ

সুবিধাৰ্থে নিৰ্বাচন আয়োগে যোৱা ছমাহত গ্ৰহণ কৰা ২৮ টা পদক্ষেপৰ অংশ হিচাপে এই সংশোধন কৰা হৈছে। এই অনুসৰি, ই ভি এম বেলট পেপাৰত প্ৰাৰ্থীৰ ৰঙীণ ফটো ছপা কৰা হ'ব আৰু ভালদৰে দেখাৰ বাবে বেলট পেপাৰৰ চাৰি ভাগৰ তিনি অংশত প্ৰাৰ্থীজনৰ ফটোখন থাকিব। পঢ়াত সুবিধা হোৱাকৈ সকলো প্ৰাৰ্থী আৰু ন'টাৰ নাম একেধৰণৰ আখৰেৰে ছপা কৰা হ'ব। নতুনকৈ উন্নীত কৰা ই ভি এম বেলট পেপাৰসমূহ সমাগত বিহাৰ নিৰ্বাচনৰ পৰাই ব্যৱহাৰ কৰা হ'ব বুলি আয়োগে প্ৰকাশ কৰিছে। নিৰ্বাচন আয়োগে এই সন্দৰ্ভত সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুখ্য নিৰ্বাচনী বিষয়াসকললৈ পত্ৰ প্ৰেৰণ কৰিছে।

ooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কাইলৈ নতুন দিল্লীত মন্থন-২০২৫ শীৰ্ষক ৰাষ্ট্ৰীয় সন্মিলন উদ্বোধন কৰিব। প্ৰতিৰক্ষা সম্পদৰ সঞ্চালকালয় প্ৰধানৰ দ্বাৰা **বিকশিত ভাৰত-২০৪৭ৰ বাবে কৌশলগত ৰূপৰেখা** বিষয়বস্তুৰে দুদিনীয়া এই সন্মিলনৰ আয়োজন কৰা হৈছে। সন্মিলনৰ উদ্বোধনী সত্ৰত বিগত এবছৰত প্ৰতিৰক্ষা সম্পদ বিভাগৰ সফলতা আৰু পদক্ষেপ সন্দৰ্ভত বিশেষ আলোচনা অনুষ্ঠিত হ'ব। দ্বিতীয় দিনা ভূমি সম্পদ বিভাগৰ সচিব মনোজ যোশী, ভাৰতৰ এটৰ্ণী জেনেৰেল আৰ ভেংকটৰমণীকে ধৰি বিশিষ্ট ব্যক্তিসকলৰ আলোচনা অনুষ্ঠিত হ'ব।

ooooo

আফগানিস্তানৰ উত্তৰ বাদাখছান প্ৰদেশত আজি এখন বাহন লুটি খাই খাৰৈত বাগৰি পৰাৰ ফলত কমেও তিনিজন লোক নিহত হোৱাৰ লগতে দুটি শিশু আহত হয়। আৰক্ষীয়ে জনোৱা মতে, আৰ্গো জিলাত এটা ঠেক পথত চালকজনে নিয়ন্ত্ৰণ হেৰুৱাই দুৰ্ঘটনা সংঘটিত কৰে। উত্তৰ আফগানিস্তানত যোৱা কিছুদিনত এইটোৱেই হৈছে তৃতীয়টো বৃহৎ পথ দুৰ্ঘটনা। ইয়াৰ পূৰ্বে সোমবাৰে বাদাখশানত মটৰবাইকৰ সংঘৰ্ষত এজনৰ মৃত্যু হোৱাৰ লগতে তিনিজন আহত হয়। ইয়াৰ এদিন পূৰ্বে ফাৰিয়াব প্ৰদেশত এখন গাড়ী আৰু এখন ট্ৰাকৰ সংঘৰ্ষত ছয়জন লোক নিহত হোৱাৰ লগতে চাৰিজন লোক আহত হৈছিল। আফগানিস্তানত সঘনাই হোৱা পথ দুৰ্ঘটনাৰ বাবে প্ৰায়ে দুৰ্বল আন্তঃগাঁথনি, অসাৱধানতাৰে গাড়ী চলোৱা কাৰ্য আৰু পাহাৰীয়া ভূখণ্ডৰ বাবে দোষাৰোপ কৰা হয়।

ooooo

ভাৰতৰ তাৰকা জেভলিন খেলুৱৈ নীৰজ চোপ্ৰাই বিশ্ব এথলেটিকছ চেম্পিয়নশ্বিপৰ পুৰুষৰ ফাইনেলৰ বাবে যোগ্যতা অৰ্জন কৰিছে। নীৰজে প্ৰথমবাৰতে ৮৪ দশমিক ৮-৫ মিটাৰলৈ জেভলিন দলিয়াই ফাইনেলত প্ৰৱেশ কৰে। টকিঅ'ত অনুষ্ঠিত এই বিশ্ব এথলেটিকছ চেম্পিয়নশ্বিপত অলিম্পিক চেম্পিয়ন তথা পাকিস্তানী খেলুৱৈ আৰ্ছাদ নদীমেও অংশ লয়।

ooooo

ভাৰতৰ ৰাষ্ট্ৰীয় ঘাইপথ কৰ্তৃপক্ষ NHAI য়ে ঘাইপথ প্ৰকল্পৰ গুণগত মান উন্নত আৰু সময়মতে ৰূপায়ণ কৰাৰ বাবে ৰিকুৱেষ্ট ফৰ প্ৰপ'জেল (আৰ এফ পি)ৰ প্ৰতিবন্ধ সমূহ কটকটীয়া কৰিছে। মূল পৰিৱৰ্তনসমূহৰ ভিতৰত আছে ঠিকাদাৰৰ অৰ্হতাৰ কঠোৰ নীতি আৰু অনুমোদিত সীমাৰ বাহিৰত অকৰ্তৃত্বশীল উপ-ঠিকাদাৰী নিষেধাজ্ঞা। এনএইচএআইয়ে জনাইছে যে এনে উলংঘনক এতিয়া অবাঞ্চিত প্ৰথা হিচাপে গণ্য কৰা হ'ব আৰু শাস্তি আৰোপ কৰা হ'ব। তৃতীয় পক্ষৰ পৰা আহৰণ কৰা নিবিদা আৰু প্ৰদৰ্শন আমানত দাখিল কৰাত নিবিদা

নিষেধাজ্ঞা আৰোপ কৰি এনএইচএআইয়ে বিত্তীয় দায়বদ্ধটা আৰু স্বচ্ছতা নিশ্চিত কৰিছে। এই পদক্ষেপৰ লক্ষ্য হৈছে কেৱল দক্ষ ঠিকাদাৰেহে প্ৰকল্প গ্ৰহণ কৰাটো নিশ্চিত কৰা, তদাৰকী উন্নত কৰা, আৰু নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত উন্নতমানৰ ৰাষ্ট্ৰীয় ঘাইপথ প্ৰদান কৰা।

০০০০০

সমাপ্ত